# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-02-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - -

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ছিংগাপুৰ ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নমক সাক্ষাৎ কৰে। ড০ শৰ্মাই ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ভাৰত-ছিংগাপুৰৰ কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনাত মিলিত হয়। তেওঁ লগতে দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰি ভাৰতৰ এক্ট-ইষ্ট নীতিৰ অধীনত অসম আৰু ছিংগাপুৰৰ মাজত থকা অংশীদাৰিত্ব সুদৃঢ় কৰাৰ বিষয়ত মত বিনিময় কৰে। মুখ্যমন্ত্ৰী শৰ্মাই দেশখনৰ ছুৰবানা জুৰং উদ্যোগৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ একৰ সৈতেও আলোচনাত মিলিত হয়। তেওঁ বিষয়াগৰাকীক অনাগত দিনত অসমক নগৰ উন্নয়নৰ লক্ষ্যৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখমন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ নেতাসকলৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয় আৰু তেওঁলোকক জাগীৰোডত নিৰ্মাণ হ'বলগীয়া ইলেকট্ৰনিক চিটীৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে বাণিজ্যিক সহযোগিতা আৰু বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ প্ৰতিষ্ঠিত উদ্যোগপতিসকলৰ সৈতে কেইবাখনো পৃথক বৈঠকত অংশগ্ৰহণ কৰিব। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি চলি আছে। এইবাৰৰ এডভাণ্টেজ আছামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু ভালেসংখ্যক দেশী-বিদেশী উদ্যোগীয়ে অংশগ্ৰহণ কৰিব।

০০০০০

বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৮ সহস্ৰাধিক শিল্পীৰ অংশগ্ৰহণেৰে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অহা ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী কাৰ্যসূচীৰ বাবে জিলাই জিলাই ব্যাপক প্ৰস্তুতি চলিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠান উপভোগ কৰিব। অনুষ্ঠানৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীয়ে প্ৰতিদিনে আখৰা চলি থকা জিলাসমূহ ভ্ৰমণ কৰিছে।

অনুষ্ঠানত অংশলবলগীয়া কাছাৰ, হাইলাকাণ্ডি আৰু শ্ৰীভূমি জিলাৰ মণ্ডল ভিত্তিক শিল্পীসকলৰ ঝুমুৰ নৃত্য প্ৰশিক্ষণ শিবিৰত উপস্থিত হৈ আজি কাছাৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আখৰাৰ বুজ লয়। শিলচৰ টাউন ক্লাৱ মৈদানত অনুষ্ঠিত এই আখৰাত ৩০০ গৰাকীৰো অধিক ঝুমুৰ নৃত্য শিল্পী, বাদ্যশিল্পী

আৰু প্ৰশিক্ষকে অংশ লৈছে। বিশ্ব ৰেকৰ্ডৰ বাবে সাজু হোৱা শিল্পীসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে তেওঁলোকক উৎসাহিত কৰে।

উল্লেখযোগ্য যে, অসমৰ চাহ বাগিছাৰ দুশ বছৰীয়া জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত ঝুমুৰ কেন্দ্ৰীক এই বিশাল সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই আয়োজনে ঝুমুৰ নৃত্যক বিশ্বৰ দৰবাৰত উজলাই তুলি চাহ শ্ৰমিকসকলক অধিক উদ্যমেৰে কাম কৰি যোৱাত অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে। অনুষ্ঠানত বৰাক উপত্যকাৰ মুঠ ৩৪৬ গৰাকী শিল্পীয়ে অংশ গ্ৰহণ কৰিব য'ত কাছাৰ জিলাৰ পৰা মুঠ ১৮০ গৰাকী, শ্ৰীভূমি জিলাৰ পৰা ৬৪ গৰাকী আৰু হাইলাকাণ্ডি জিলাৰ ১০২ গৰাকী শিল্পী আছে।

০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটীৰ নাৰেঙ্গীৰ কেন্দ্ৰীয় ভঁৰালত আয়োজিত এটা কাৰ্যসূচীত ২০২৫-২৬ শিক্ষা বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈন, অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ অধ্যক্ষ দেৱানন্দ হাজৰিকা উপস্থিত থাকে। শিক্ষামন্ত্ৰীগৰাকীয়ে অনুষ্ঠানৰ পাছত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ৰাজ্য চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি আঁচনিৰ অধীনত এই বছৰ ১৯টা ভাষা আৰু ৯টা মাধ্যমত ৩ কোটি ৪১ লাখ ৭৮ হাজাৰ ৫৮১ খন বিনামূলীয়া পাঠ্যপুথি প্ৰস্তুত কৰা হৈছে। **ক** শ্ৰেণীৰ পৰা **দ্বাদশ** শ্ৰেণীলৈ ৫২ লাখ ৯১ হাজাৰ ৭০৭ গৰাকী শিক্ষাৰ্থীৰ মাজত এই পাঠ্যপুথিসমূহ বিতৰণ কৰা হ'ব। চলিত বছৰৰ ভিতৰতে পাঠ্যপুথিসমূহ ই-পাঠ্যপুথিলৈ ৰূপান্তৰিত কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলৰ সুবিধা হোৱাকৈ এই ই-পাঠ্যপুথিত কিউ আৰ কোডৰ সৈতে অডিঅ'-ভিজুৱেল পাঠ সংযোজিত কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে প্ৰকল্প গ্ৰহণ কৰিবলৈ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডক আহ্বান জনোৱা হৈছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে। ডিজিটেল শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ডাঃ পেগুৱে কয়, যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষককে একোটাকৈ টেবলেট প্ৰদানৰ বিষয়টো গুৰুত্বসহকাৰে লোৱা হ'ব। এই অনুষ্ঠানতে শিক্ষামন্ত্ৰীগৰাকীয়ে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফল শীঘ্ৰে ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। খালী পদৰ সংখ্যাৰ হিচাপতহে প্ৰাৰ্থী উত্তীৰ্ণ কৰা হ'ব আৰু ফলাফলৰ পাছতে বিজ্ঞাপনৰ জৰিয়তে এই পদসমূহৰ বাবে আবেদন কৰিবলৈ জাননী প্ৰকাশ কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

ৰাজ্যৰ প্ৰতিখন জিলাতে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ সুবিধা লাভ কৰা কৃষকসকলৰ পঞ্জীয়ন কাৰ্যসূচী পূৰ্ণগতিত চলি আছে। চৰাইদেউ জিলা কৃষি বিভাগে নিজৰ নামত মাটিৰ পট্টা থকা, এতিয়ালৈকে কৃষক পঞ্জীয়ন নকৰা জিলাখনৰ হিতাধিকাৰী সকলক অনতিপলমে নিকটৱৰ্তী অৰুণোদয় কেন্দ্ৰলৈ গৈ পঞ্জীয়ন কৰাবলৈ অনুৰোধ জনাইছে। এই আঁচনিৰ সুবিধা লাভ কৰা কৃষকে সময়তে পঞ্জীয়ন নকৰালে পৰৱৰ্তী কিস্তিৰ পৰা বঞ্চিত হ'ব বুলি কৃষি বিভাগে জানিবলৈ দিছে। বিভাগে লগতে নিজৰ নামত মাটিৰ নামজাৰি নোহোৱা হিতাধিকাৰীসকলকো শীঘ্ৰে নামজাৰিৰ বাবে আবেদন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। ইতিমধ্যে ৰাজহ চক্ৰ

বিষয়াসকলক অগ্ৰাধিকাৰ ভিত্তিত নামজাৰিৰ কামসমূহ সম্পন্ন কৰাৰ বাবে চৰকাৰে নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা লাভ কৰিবলৈ হ'লে কৃষক পঞ্জীয়ন হোৱাটো বাঞ্চনীয়।

০০০০০

চাইবাৰ সুৰক্ষাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ৰাজ্যৰ ভিন ভিন জিলাত প্ৰশাসনৰ উদ্যোগত সুৰক্ষিত ইণ্টাৰনেট দিৱস পালন কৰা হৈছে। চৰাইদেউ জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আজি আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে এখন কৰ্মশালাৰ আয়োজন কৰা হয়। প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত জিলা তথ্য বিষয়া প্ৰমোদ কুমাৰ নাথ আৰু চৰাইদেউ আৰক্ষীৰ চাইবাৰ কোষৰ কৰ্মী মানস হাতীবৰুৱাই সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ইণ্টাৰনেট সেৱা, চাইবাৰ সুৰক্ষা আৰু চাইবাৰ ভাবুকি নিয়ন্ত্ৰণৰ বিভিন্ন কৌশল সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

সমাপ্ত